**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 09**-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত স্থলবন্দৰ ব্যৱস্থাপনা প্ৰণালী এল পি এম এছ্ মুকলি কৰিব।

২। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত পি এম এছ্ এম এৰ ১০ বছৰ-**যতনৰ এটা যুগ** উপলক্ষে দেশজোৰা উদযাপন কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব।

৩। বিশাখাপট্টনম তীখা প্ৰকল্পত সংঘটিত অগ্নিকাণ্ডত  প্ৰাণ হেৰুওৱা সকললৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় তীখা মন্ত্ৰী এইছ ডি কুমাৰস্বামীয়ে আৰ্থিক সাহায্য ঘোষণা কৰিছে।

৫। জি আই টেগ লাভ কৰা অসমৰ তেজপুৰৰ লিচু আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশ কৰিছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে সদৰি কৰিছে।

***আৰু***

৪। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ আহ্বানৰ পাছতে ইৰান আৰু ইজৰাইলে সামৰিক আক্ৰমণ সাময়িকভাৱে স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত স্থল বন্দৰ ব্যৱস্থাপনা প্ৰণালী LPMS মুকলি কৰিব। প্ৰযুক্তিৰ ব্যৱহাৰেৰে সীমান্ত বাণিজ্য আৰু যাত্ৰী চলাচলৰ প্ৰক্ৰিয়া অধিক খৰতকীয়া, স্বচ্ছ আৰু সুৰক্ষিত কৰাৰ লক্ষ্যৰে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এলপিএমএছ হৈছে এখন ডিজিটেল মঞ্চ যাৰ জৰিয়তে দেশৰ আটাইকেইটা স্থল বন্দৰৰ কাৰ্যকলাপক এটা সংহত প্ৰণালীৰ অধীনলৈ অনা হ’ব। ইয়াৰ ফলত বিমান আৰু সাগৰীয় বন্দৰসমূহৰ দৰেই স্থল বন্দৰসমূহতো সুৰক্ষিত আৰু তাৎক্ষণিকভাৱে তথ্যৰ আদান-প্ৰদান কৰাটো সম্ভৱ হৈ উঠিব।

এই ব্যৱস্থাই মালবাহী বাহন আৰু যাত্ৰীসকলৰ পঞ্জীয়ন, মাচুল সংগ্ৰহ, গতিবিধি নিৰীক্ষণৰ দৰে প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ ডিজিটেল কৰি তুলিব, যাৰ ফলত চৰকাৰী সংস্থা আৰু ব্যক্তিগত পৰিচালনাকাৰীসকলৰ মাজত সমন্বয় বৃদ্ধি পাব।

এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মেঘালয়ৰ ডাউকী আৰু ত্ৰিপুৰাৰ শ্ৰীমন্তপুৰ স্থল বন্দৰত নতুনকৈ নিৰ্মাণ কৰা অংশীদাৰসকলৰ বাবে আৱাসিক সুবিধাৰো উদ্বোধন কৰিব। এই আন্তঃগাঁথনিমূলক উন্নয়নে সীমান্ত ব্যৱস্থাপনা আৰু কৰ্মচাৰীসকলক বিশেষভাৱে সহায় কৰিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীত পি এম এছ্ এম এৰ ১০ বছৰ- **যতনৰ এটা যুগ** উপলক্ষে দেশজোৰা উদযাপন কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিযানৰ সফল ৰূপায়ণৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই অভিযান মুকলি কৰা হ'ব। চৰকাৰৰ এটা অন্যতম ধবজাবাহী উদ্যম পি এম এছ্ এম এৰ লক্ষ্য হৈছে- সুৰক্ষিত গৰ্ভাৱস্থা আৰু সুস্থ মাতৃত্ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সকলো গৰ্ভৱতী মহিলাক বিনামূলীয়া আৰু গুণগত স্বাস্থ্য যতন সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৬ চনৰ ৯ জুনত এই আঁচনিৰ শুভাৰম্ভ কৰিছিল। উদযাপনৰ অংশ হিচাপে দেশৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ গৰ্ভৱতী মহিলা আৰু তেওঁলোকৰ পৰিয়ালসমূহৰ বাবে এই আঁচনিৰ অধীনত ৯টা বিনামূলীয়া সেৱা সুনিশ্চিত কৰাৰ উদ্দেশ্যে সজাগতামূলক বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। আজিৰ এই কাৰ্যসূচী উপলক্ষে ৭৫ টকা মূল্যৰ এটা বিশেষ স্মাৰক মুদ্ৰা আৰু পাঁচ টকাৰ এটা ডাক টিকটো উন্মোচন কৰা হ'ব।

০০০০

কেন্দ্ৰীয় তীখা মন্ত্ৰী এইছ্ ডি কুমাৰস্বামী আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰাম মনোহৰ নাইডুৱে যোৱা নিশা বিশাখাপট্টনম তীখা প্ৰকল্পৰ দুৰ্ঘটনা স্থলী পৰিদৰ্শন কৰে। শ্ৰী কুমাৰস্বামীয়ে এই দুৰ্ঘটনাত মৃত্যু লোকসকলৰ নিকটাত্মীয়লৈ ২৫ লাখকৈ আৰু আহত সকলৰ চিকিৎসাৰ বাবে ১০ লাখ টকাকৈ সাহায্য ঘোষণা কৰিছে। ইয়াৰ লগতে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালসমূহক তেওঁলোকলৈ আৱণ্টন দিয়া বাসগৃহতেই থকাৰ অনুমতি প্ৰদান কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰিছে। শ্ৰী কুমাৰস্বামীয়ে কয়, যে তেনে পৰিয়ালৰ শিশুসকলৰ বাবে বিনামূলীয়া শিক্ষা প্ৰদানৰো ব্যৱস্থা কৰা হ'ব।

অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে ৰাজ্যখনৰ মুখ্য সচিব আৰু অন্যান্য বিষয়াসকলৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। ৰাষ্ট্ৰীয় ইস্পাত নিগম লিমিটেডে ইতিমধ্যে এই দুৰ্ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ইয়াৰ অতিৰিক্ত ভাৱে এখন তিনিজনীয়া বিশেষ তদন্ত কমিটিও গঠন কৰা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ইস্পাত নিগম লিমিটেডৰ বিশাখাপট্টানম তীখা প্ৰকল্পক কালি সন্ধিয়া হোৱা এটা এগ্নিকাণ্ডত ৮ জন লোকে প্ৰাণ হেৰুৱাৰ লগতে ছজন লোক আহত হৈছে। আহতসকলৰ ভিতৰত দুজনৰ অৱস্থা জটিল বুলি জানিব পৰা গৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘনাত গভীৰ শোক প্ৰকশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়াললৈ গভীৰ সমৱেদনা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নিহত লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশুআৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্ঘটনাত নিহত লোকসকলৰ নিকতাত্মীয়লৈ দুই লাখ আৰু আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে।

০০০০

জি আই টেগ লাভ কৰা অসমৰ তেজপুৰৰ লিচু আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশ কৰিছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। তেওঁ কয়, যে কৃষি আৰু প্ৰসংস্কৰণ, খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন প্ৰাধিকৰণৰ সহায়ত ডুবাইলৈ তেজপুৰৰ লিচুৰ প্ৰথমটো ৰপ্তানি কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী গোৱেলে কয়, যে অঞ্চলটোৰ লিচু গোলকীয় মৰ্যাদা প্ৰদান কৰি লিচু খেতিয়কসকলক উন্নত মূল্য লাভ কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিজাত সামগ্ৰীসমূহৰ বাবে নতুন সুযোগ সৃষ্টি কৰাত এই পদক্ষেপে বিশেষভাৱে সহায় কৰিব।

oooo

অহা ১৮ জুনত হ'বলগীয়া ৰাজ্যসভাৰ উপ-নিৰ্বাচনৰ বাবে এন চি পিৰ ৰাজেন্দ্ৰ জৈনে কালি তেওঁৰ মনোনয়ন পত্ৰ দাখিল কৰিছে। উল্লেখযোগ্য যে, মহাৰাষ্ট্ৰ চৰকাৰত অন্তৰ্ভুক্তিৰ পিছত উপমুখ্যমন্ত্ৰী সুনেত্ৰা পাৱাৰে উচ্চ সদনৰ পৰা পদত্যাগ কৰাৰ বাবেই এই উপ-নিৰ্বাচনৰ প্ৰয়োজনীয়তা আহি পৰিছে। চগন ভূজবাল, প্ৰফুল পেটেল, দীলিপ ৱালছে পাটিল আৰু পাৰ্থ পাৱাৰকে ধৰি দলৰ জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত শ্ৰী জৈনে কালি তেওঁ মনোনয়ন পত্ৰ দাখিল কৰে।

এই উপ-নিৰ্বাচনৰ বাবে বিৰোধী মহাবিকাশ আঘাড়ি-এম ভি এ-ই কাকো প্ৰাৰ্থীত্ব প্ৰদান নকৰাৰ পৰিপ্ৰেক্ষিতত শ্ৰী জৈনৰ বিজয় প্ৰায় নিশ্চিত হৈছে।

oooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ তাৎক্ষণিক যুদ্ধবিৰতিৰ আহ্বানৰ পাছতে ইৰান আৰু ইজৰাইলে পৰস্পৰৰ বিৰুদ্ধে চলোৱা সামৰিক আক্ৰমণ সাময়িকভাৱে স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। অৱশ্যে, ইজৰাইলে লেবাননত থকা হিজবুল্লাহৰ ঘাটিসমূহৰ ওপৰত আক্ৰমণ অব্যাহত ৰাখিলে ইৰানে পুনৰ সামৰিক ব্যৱস্থা গ্ৰহণ কৰিব বুলি সতৰ্ক কৰি দিছে। ইপিনে, ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজেও সকীয়াই দিছে যে উত্তৰ ইজৰাইলত আক্ৰমণ অব্যাহত থাকিলে বেইৰুটৰ দক্ষিণ প্ৰান্তত থকা হিজবুল্লাহৰ মুখ্য ঘাটিসমূহত ইজৰাইলে পুনৰ আক্ৰমণ চলাব।

উল্লেখযোগ্য যে, যোৱা এপ্ৰিল মাহত হোৱা যুদ্ধবিৰতিৰ পাছত ইৰান আৰু ইজৰাইলৰ মাজত এয়া আটাইতকৈ পোনপটীয়া সংঘাত আছিল। দেওবাৰে নিশা ইৰানে ইজৰাইলৰ ভূখণ্ডলৈ কেইবাটাও ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰি সেয়া বেৰুটৰ সমীপত থকা হিজবুল্লাহৰ ঘাটিত ইজৰাইলে চলোৱা সামৰিক অভিযানৰ প্ৰত্যুত্তৰ বুলি অভিহিত কৰিছিল। ইয়াৰ প্ৰতিশোধ হিচাপে ইজৰাইলেও ইৰানৰ দক্ষিণ-পশ্চিম অঞ্চলত থকা এবিধ বিশেষ খনিজ তেলভিত্তিক ৰাসায়নিক প্ৰকল্পক লক্ষ্য কৰি আক্ৰমণ চলাইছিল। এই প্ৰকল্পটো দীৰ্ঘ দূৰত্ব অতিক্ৰম কৰিব পৰা যুদ্ধাস্ত্ৰ উৎপাদনৰ সৈতে জড়িত বুলি ইজৰাইলে দাবী কৰিছিল।

ইয়াৰ পাছতে ইৰানৰ ইছলামিক ৰিভলিউশ্যনেৰী গাৰ্ড কৰ্পছে ইজৰাইলৰ হাইফা চহৰত থকা অনুৰূপ এটা প্ৰকল্পত আক্ৰমণ চলাই প্ৰত্যুত্তৰ দিয়া বুলি দাবী কৰে।

ইৰানৰ সামৰিক বাহিনীয়ে কালি ইজৰাইলৰ বিৰুদ্ধে যুদ্ধকালীন তৎপৰতা বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে যদিও দক্ষিণ লেবাননত ইজৰাইলৰ যিকোনো সামৰিক কাৰ্যকলাপৰ বিৰুদ্ধে ইয়াতকৈও তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হ'ব বুলি সতৰ্ক কৰি দিছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱেও বৰ্তমান সামৰিক অভিযান বন্ধ থকা বুলি প্ৰকাশ কৰি কয় যে ইৰানৰ যিকোনো নতুন আক্ৰমণৰ ইজৰাইলে যথোচিত প্ৰত্যুত্তৰ দিব।

দুয়োখন দেশৰ মাজত স্থায়ী শান্তি ঘূৰাই আনিবলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে চলোৱা প্ৰচেষ্টাৰ মাজতে এই উত্তেজনাময় পৰিস্থিতিৰ শাম কাটিছে। ট্ৰাম্পে জনোৱা অনুসৰি, ইজৰাইল আৰু ইৰান - দুয়োখন দেশে যুদ্ধৰ অন্ত পৰাটো বিচাৰে আৰু বৰ্তমান শান্তিৰ বাবে আলোচনা অব্যাহত আছে। ইয়াৰ মাজতে ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশ্বকিয়ানে মন্তব্য কৰিছে যে তেওঁলোকৰ দেশ দ্বিপাক্ষিক আলোচনা আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা দুয়োটাৰে প্ৰতি সমানে প্ৰতিশ্ৰুতিবদ্ধ।

০০০০

আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন প্ৰস্তুতিমূলক খেলত কালি ভাৰতে ৱেষ্ট ইণ্ডিজক ২৬ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৭৯ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ভাৰতী ফুলমালিয়ে ৪০ টা বলত ৫৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। স্মৃতি মান্ধানাই ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত অভাৰত ৮ উইকেটৰ বিনিময়ত ১৫৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ শ্ৰেয়াংকা পাটিলে ৪ টা আৰু ৰাধা যাদৱে ৩ টা উইকেট দখল কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ